Appendix- (C)

Folios of Manuscripts collected from Dr. Sarat Phukan

The two following computer-scanned folios of *sanchi*-manuscripts numbered as 5(A) and 5(B), were collected from Dr. Sarat Phukan, IPS. These folios corroborate the episode of Jaymati as written by S.K.Bhuyan in 'Asama Jiyari'. He said that these manuscripts were collected from Kesha Phukan of Bakata, Sibsagar. When I visited him in his quarter at Kahilipara, I saw huge old manuscripts, which he collected from their owners in different time. He also revealed that he has some manuscripts, which contain information regarding the origin of the Lukhurakhun clan to which Lachit Barphukan belonged from the time earlier than the advent of Sukapha to Brahmaputra Valley. I did not have the opportunity to examine the manuscripts thoroughly. The given folios related to Jaymati are placed here (in the next two pages) as they were, when received.

5 (A)



জাও কৃতাপানি খা নাই তাং নি চি পাই কা মৌং খাং য়াও। চাও তাংখাউ চিপ চি ৰান হেইত য়াক চি ক্ খাম কৃতাপানি মাও নাই চি, ৰাই চাত মৌন জয়মতি খাউ জাউ তাং নি পু মৌন চি ফান জৌ আহোম আও হৌ লেং বাই চি ৰান নৌং লু তাই কা য়াও। নৌং নাই চি জয়মতি জৌ মৌন আও কৌত চি তেম মাই কা তি মৌং পাপ লিক্ কায়াও।

অৰ্থাৎঃ গদাপাণি সাহায্য-লাভৰ উদ্দেশ্যে নগা পৰ্বতৰ ফালে গ'লগৈ। চাউডাঙে চৈধ দিন ওপৰত কোৱাৰ দৰে জয়মতীক শাস্তি দিও গদাপাণিৰ বিষয়ে একাকে উলিয়াব নোৱাৰিলে। সদৌশেহত, স্বামীৰ চৰণ চিন্তি জয়মতীয়ে এদিন সেই পাপাত্মাৰ ঘৃণনীয় সঙ্গ পৰিত্যাগ কৰি, নশ্বৰ দেহা এৰিলে।

5 (B)



অন না জাও ল'ৰা পয় কৌন কা কাম; মৌন জাও কতাপানি তাং নাম তে হৌন কা য়াও। জয়মতী নাং নি। মৌন জাও কতাপানি ৱেন মে লুক চি পাই কা য়াও। হাং জাও কতাপানি খামাও নাই চি জাউ ল'ৰা জাও মাও নি, পয় কৌন হাউ কাম নাং জয়মতী।। থাম ক জয়মতী মাও লাউ খাম।। কপ পৌ নাই চি হেইত তুক হাঙ জয়মতী। তুক খা আন লাই ফান আৰ নাউ জাউ চি জয়মতী মাও খাও খাম মৌন লাই ৱান জেইত ৱান চাউতাং হেইতে তুক য়াক নাই নাউ মান নাউ মৌং খাম ফে য়াও।।

অৰ্থাৎ ঃ ল'ৰা-ৰজাই গদাপাণি কোঁৱৰক ধৰিবলৈ মানুহ পঁচাৰ বহুত আগেয়েই কোঁৱৰে বিয়া কৰাইছিল। বৰগোহাঁই ফৈদৰ জয়মতীয়েই তেওঁৰ সেই প্ৰিয় ভাৰ্য্যা। গদাপাণি আতৰি যাওঁতে তেওঁ পুত্ৰ-ভাৰ্য্যাক ঘৰত এৰি গৈছিল, ল'ৰা-ৰজাৰ লোক বিলাকে গদাপাণিক ঘৰত নাপাই, তেওঁ পলোৱাৰ বাতৰি ল'ৰা-ৰজাক জনালেগৈ। ল'ৰা-ৰজাৰ মন ভয়ত বৰ বিচলিত হ'ল। পিছে, তেওঁ গদাপাণিক ধৰিবৰ একো উপায় নেদেখি, তেওঁৰ ভাৰ্য্যা জয়মতীক ধৰি আনিবলৈ সেনা পাঁচিলে। সেনাবিলাকে ৰাজাজ্ঞামতে জয়মতী কুঁৱৰীক ধৰি আনিলেগৈ। জয়মতী ল'ৰা-ৰজাৰ ওচৰ পাওঁতেই ৰজাই তেওঁক সুধিলে, 'গিৰীয়েৰ ক'লৈ গ'ল, ক।' জয়মতীয়ে ৰজাৰ প্ৰশ্ন একো উত্তৰ নিদিলে। কেইবাবাৰো প্ৰশ্ন হ'ল, জয়মতীয়ে এবাৰো মাত এষাৰকে নামাতিলে। পিছে, ল'ৰা-ৰজাই জয়মতীক কুকুৰা-চোৱা চাউডাঙক সঁপি দি ক'লে- 'যেনেকৈ পাৰ, দণ্ড কৰিয়েই বা আন কোনো উপায়েৰেই হওক, এইৰ মুখৰ পৰা গদাপাণিৰ বাতৰি উলিয়া।' কুকুৰা-চোৱা চাউডাঙে জয়মতীক ৰজাৰ আগৰপৰা আতৰাই নি বৰ্তমান জয়সাগৰৰ য'ত নাগ বহুৱাইছে, তাতে তেওঁক বান্ধি ধৰি নানা শাস্তি কৰি গদাপাণিৰ বাতৰি সোধে। জয়মতীয়ে নীৰৱে সকলো যন্ত্ৰণা সঁহি থাকে, তথাপি নিজৰ স্বামীৰ সম্পৰ্কে এবাৰো এটি কথাকে নকয়। এদিন-দুদিনকৈ ছয়-সাতদিন সেই ঠাইতে কুকুৰা-চোৱা চাউডাঙে জয়মতীক শাস্তি কৰি আছে, কিন্তু বৃথায় যন্ত্ৰণামাত্ৰ দিয়া হৈছে, তাৰে একো কাৰ্য হোৱা নাই, জয়মতীয়ে গদাপাণিৰ কথা নকয়। নিতৌ নিতৌ চাউডাঙৰ যন্ত্ৰণাত জয়মতীৰ আৰ্তৰাৱত দশোদিশ প্ৰতিধ্বনিত হৈ উঠিল।